# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-10-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত আদি কৰ্মযোগী অভিযানৰ ৰাষ্ট্ৰীয় সন্মিলনত অংশগ্ৰহণ কৰিব।

২। কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহানে দেশৰ কৃষি বিজ্ঞান কেন্দ্ৰসমূহক অধিক শক্তিশালী কৰি তোলাত গুৰুত্ব আৰোপ কৰিছে।

৩। ব্ৰাজিলৰ উপ ৰাষ্ট্ৰপতি জেৰাল্ডো আলকমিনে বিশ্বক আয়ুৰ্বেদৰ কালজয়ী প্ৰজ্ঞাৰ প্ৰয়োজন আছে বুলি মন্তব্য কৰিছে।

৪। বিহাৰৰ সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ আজি অন্তিম দিন।

*আৰু*

৫। আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত অষ্ট্ৰেলিয়াই প্ৰথমটো দল হিচাপে ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত হ'বলগীয়া আদি কৰ্মযোগী অভিযানৰ ৰাষ্ট্ৰীয় সন্মিলনত অংশগ্ৰহণ কৰিব। জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ে বিকশিত ভাৰতৰ দৃষ্টিভংগীৰ আধাৰত এই সন্মিলনৰ আয়োজন কৰিছে। প্ৰধানমন্ত্ৰী জনমন আৰু ধৰতী আবা অভিযানৰ সহযোগত এই সন্মিলনৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰী জুৱেল ওৰাম, জনজাতি পৰিক্ৰমা বিভাগৰ ৰাজ্যমন্ত্ৰী, কেন্দ্ৰীয় আৰু ৰাজ্যিক সচিব, জিলা দণ্ডাধীশ, মূল প্ৰশিক্ষক আৰু দেশৰ বিভিন্ন প্ৰান্তৰ আদি সহযোগী প্ৰতিনিধিসকলে ভাগ ল'ব। এই সন্মিলনত **জনজাতি গাঁও দৰ্শন ২০৩০, ধাৰণাৰ পৰা ৰূপায়ণ**লৈ শীৰ্ষক বিষয়ত গুৰুত্ব আৰোপ কৰা হ'ব। সন্মিলনত শিক্ষা আৰু দক্ষতা বিকাশ, স্বাস্থ্য আৰু পৰিপুষ্টি, জীৱন-ধাৰণ আৰু উদ্যোগী, আন্তঃগাঁথনি আৰু প্ৰশাসন ব্যৱস্থা শক্তিশালীকৰণকে ধৰি বিভিন্ন বিষয়ত আলোচনা কৰা হ'ব।

ooooo

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে কালি এখন উচ্চ পৰ্যায়ৰ বৈঠকত সমগ্ৰ দেশৰ কৃষি বিজ্ঞান কেন্দ্ৰসমূহক অধিক ফলপ্ৰসূ আৰু সবল কৰি তোলাৰ কৌশলৰ বিষয়ে আলোচনা কৰে। নতুন দিল্লীত অনুষ্ঠিত বৈঠকখনত শ্ৰীচৌহানে কয়, যে বৰ্তমান দেশত ৭৩১ টা কৃষি বিজ্ঞান কেন্দ্ৰ আছে আৰু ইয়াৰ নেটৱৰ্ক সম্প্ৰসাৰণ কৰাৰ লগতে ক্ষুদ্ৰ কৃষকৰ সুবিধাৰ বাবে এইসমূহক

শক্তিশালী কৰাটো অতি প্ৰয়োজন। তেওঁ কয়, যে কৃষি বিজ্ঞান কেন্দ্ৰসমূহে কৃষকসকলৰ ওচৰলৈ যোৱাৰ বাবে প্ৰাথমিক মাধ্যম হিচাপে কাম কৰে আৰু প্ৰযুক্তিৰ প্ৰচাৰ, প্ৰশিক্ষণ তথা কৃষি উদ্ভাৱনৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। মন্ত্ৰীগৰাকীয়ে লগতে সংহত কৃষি আৰু প্ৰাকৃতিক কৃষিক প্ৰসাৰিত কৰিব পৰাকৈ কৃষি বিজ্ঞান কেন্দ্ৰসমূহক আৰ্হি পদক্ষেপৰ বিকাশ কৰিবলৈ নিৰ্দেশ দিয়ে।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ইয়াৰ লগতে কৃষি বিজ্ঞান কেন্দ্ৰসমূহৰ কাৰ্য্যকলাপ সুশৃংখলিত কৰিবলৈ আৰু এইসমূহৰ কাৰ্যদক্ষতা বৃদ্ধিৰ বাবে পৰ্যাপ্ত মানৱ সম্পদ, আৰ্থিক আৰু কাৰিকৰী সহায় আগবঢ়োৱাটো নিশ্চিত কৰিবলৈ ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ বিষয়াসকলক নিৰ্দেশ দিয়ে।

০০০০০

ব্ৰাজিলৰ উপ-ৰাষ্ট্ৰপতি জেৰাল্ডো আলকমিনে প্ৰতিৰোধমূলক আৰু বহনক্ষম স্বাস্থ্যসেৱাৰ বাবে বিশ্বক আয়ুৰ্বেদৰ কালজয়ী প্ৰজ্ঞাৰ প্ৰয়োজন আছে বুলি মন্তব্য কৰিছে। নতুন দিল্লীস্থিত সৰ্বভাৰতীয় আয়ুৰ্বেদ প্ৰতিষ্ঠান ভ্ৰমণৰ সময়ত শ্ৰীআলকমিনে কালি আয়ুৰ্বেদক ৫০০০ বছৰীয়া স্বাস্থ্য আৰু প্ৰজ্ঞাৰ সম্পদ ৰূপে প্ৰশংসা কৰে। পৰম্পৰাগত আৰু সংহত স্বাস্থ্য ব্যৱস্থাৰ প্ৰসাৰৰ ক্ষেত্ৰত ভাৰতৰ নেতৃত্বৰো তেওঁ শলাগ লয়। ব্ৰাজিলৰ উপ-ৰাষ্ট্ৰপতিগৰাকীৰ এই ভ্ৰমণে পৰম্পৰাগত চিকিৎসা বিজ্ঞানৰ শৈক্ষিক বিনিময়, যৌথ গৱেষণা আৰু সামৰ্থ্য বিকাশৰ প্ৰসাৰৰ ক্ষেত্ৰত থকা বৰ্তমানৰ বুজাবুজিৰ চুক্তিৰ জৰিয়তে উভয় দেশৰ সহযোগিতা ত্বৰান্বিত কৰিব।

০০০০০

কেন্দ্ৰীয় ৰাসায়নিক আৰু সাৰ মন্ত্ৰী জগত প্ৰকাশ নাড্ডা কালি নতুন দিল্লীত ইজিপ্তৰ বৈদেশিক মন্ত্ৰী বদৰ আব্দেলাট্টীৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকৰ অন্তত সামাজিক মাধ্যমত লিখা এটা পোষ্টত শ্ৰীনাড্ডাই কয় যে, বৈঠকত উভয় দেশৰ মাজৰ ঔদ্যোগিক আৰু অৰ্থনৈতিক সংযোগ শক্তিশালী কৰাৰ লক্ষ্যৰে সাৰ, ঔষধ, ৰাসায়নিক সামগ্ৰী আৰু পেট্ৰ'কেমিকেলৰ ক্ষেত্ৰত সহযোগিতা বৃদ্ধিৰ উপায়সমূহৰ বিষয়ে আলোচনা কৰে। তেওঁ লগতে কয়, যে বৈঠকৰ সময়ত দুয়োপক্ষই বিনিময় বৃদ্ধি তথা উদ্ভাৱন আৰু আত্মনিৰ্ভৰশীলতাৰ বাবে সহযোগিতাক আগুৱাই নিয়াৰ প্ৰতিশ্ৰুতি পুনৰ দৃঢ় কৰে আৰু দুয়ো দেশৰ মাজৰ শক্তিশালী সহযোগিতাৰ পথ প্ৰশস্ত কৰে।

০০০০০

কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ সভাপতি জগত প্ৰকাশ নাড্ডাই কালি নতুন দিল্লীত "ন' বিজেপি", অৰ্থাৎ 'বিজেপিক জানো আহক' পদক্ষেপৰ অধীনত ব্ৰিটেইনৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ঋষি সুনাকক সাক্ষাৎ কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীনাড্ডাই কয়, যে তেওঁলোকে ভাৰত আৰু ব্ৰিটেইনৰ সম্পৰ্ক গভীৰ কৰা আৰু তৃণমূল পৰ্যায়ত স্বাস্থ্যসেৱা শক্তিশালী কৰাৰ বাবে প্ৰযুক্তিৰ লাভ গ্ৰহণ কৰিবলৈ ভাৰতে কৰা প্ৰচেষ্টাৰ বিষয়ে আলোচনা কৰে। শ্ৰীনাড্ডাই কয়, যে বৈঠকৰ সময়ত তেওঁ বিজেপিৰ শক্তিশালী সাংগঠনিক পৰিকাঠামো, প্ৰতিটো স্তৰৰ মানুহৰ সৈতে দলৰ গভীৰ সংযোগ আৰু সৰ্বাংগীন তথা

উন্নয়নমুখী শাসনৰ প্ৰতি দলৰ দায়বদ্ধতাৰ দৃষ্টিভংগীৰ বিষয়ে কথা পাতে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে শ্ৰীসুনাক আৰু তেওঁৰ পৰিয়ালক সমাগত দীপাৱলীৰ শুভেচ্ছাও জ্ঞাপন কৰে।

ooooo

বিহাৰৰ সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ আজি অন্তিম দিন। ৰাজ্যখনৰ ২৪৩টা বিধানসভা সমষ্টিৰ ভিতৰত ১২১টাত অহা ৬ নৱেম্বৰত প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। এই পৰ্যায়ে পাটনা, দাৰভাংগা, মুজফফৰপুৰ, গোপালগঞ্জ আৰু ভোজপুৰ জিলাক সামৰি লৈছে। কাইলৈ মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। ২০ অক্টোবৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন হিচাপে ধাৰ্য কৰা হৈছে। ৰাজ্যখনত ১১ নৱেম্বৰত দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ১৪ নৱেম্বৰত ভোটগণনা কৰা হ'ব।

ooooo

কংগ্ৰেছে সমাগত বিহাৰ বিধানসভা নিৰ্বাচনৰ বাবে ৪৮ গৰাকী প্ৰাৰ্থীৰ নাম সম্বলিত প্ৰথমখন তালিকা প্ৰকাশ কৰিছে। এই তালিকাখনত নিৰ্বাচনৰ প্ৰথম আৰু দ্বিতীয় পৰ্যায় - দুয়োটাৰে বাবে ২৪ গৰাকীকৈ প্ৰাৰ্থীৰ নাম সন্নিৱিষ্ট কৰা হৈছে। দলটোৱে বিহাৰ প্ৰদেশ কংগ্ৰেছৰ মুৰব্বী ৰাজেশ ৰামক কুটুম্বা আসনৰ পৰা প্ৰক্ষেপ কৰিছে। কালি প্ৰকাশিত তালিকা অনুসৰি কাৰৱা সমষ্টিৰ পৰা চাকিল আহমেদ খান আৰু বেগুচৰাই সমষ্টিৰ পৰা অমিতা ভুষণ নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হ'ব। একেদৰে মংগল ৰামক চেনাৰী, সঞ্জয় তিৱাৰীক বাক্সাৰ আৰু আনন্দ শংকৰ সিঙক ঔৰংগাবাদ বিধানসভা সমষ্টি দলীয় প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰা হৈছে। কংগ্ৰেছৰ কেন্দ্ৰীয় নিৰ্বাচন কমিটীয়ে এই প্ৰাৰ্থীসকলৰ নাম চূড়ান্ত কৰে।

ooooo

ভাৰতে আফগানিস্তান আৰু পাকিস্তানৰ মাজৰ পৰিস্থিতিক কঠোৰভাৱে নিৰীক্ষণ কৰি আছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়ছোৱালে নতুন দিল্লীত কালি সাংবাদিকৰ আগত কয়, যে পাকিস্তানে সন্ত্ৰাসবাদী সংগঠন আৰু সন্ত্ৰাসবাদী কাৰ্যকলাপৰ পোষকতা কৰাতো স্পষ্ট হৈ পৰিছে। আভ্যন্তৰীন বিফলতাৰ বাবে নিজৰ চুবুৰীয়া ৰাষ্ট্ৰক দোষাৰোপ কৰাটো পাকিস্তানৰ পুৰণি অভ্যাস বুলি মুখপাত্ৰগৰাকীয়ে উল্লেখ কৰে। তেওঁ লগতে কয়, যে আফগানিস্তানে নিজৰ ঠাইসমূহত সাৰ্বভৌমত্ব বিচৰাৰ কাৰ্যত পাকিস্তান অসন্তুষ্ট হৈ পৰিছে। ইয়াৰ বিপৰীতে আফগানিস্তানৰ সাৰ্বভৌমত্ব, আঞ্চলিক অখণ্ডতা তথা স্বাধীনতাৰ প্ৰতি ভাৰতৰ পূৰ্ণ সমৰ্থন আছে বুলি শ্ৰীজয়ছোৱালে প্ৰকাশ কৰে।

ooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি ওড়িশা, তেলেংগানা, গোৱা, মধ্যপ্ৰদেশ, মাৰাঠৱাৰা আদি অঞ্চলত বজ্ৰপাতৰ লগতে ধুমুহাৰ আগলি বতৰা দিছে। বিভাগৰ তথ্য অনুসৰি তামিলনাডু, অন্ধ্ৰপ্ৰদেশৰ দক্ষিণ অংশ, কেৰালাৰ উপকূল অঞ্চল আৰু লাক্ষাদ্বীপতো আজি একেধৰণৰ পৰিৱেশে বিৰাজ কৰিব।

ooooo

আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত অষ্ট্ৰেলিয়াই প্ৰথমটো দল হিচাপে ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। প্ৰতিযোগিতাত যোৱানিশা বিশাখাপট্টনমত অনুষ্ঠিত এখন খেলত অষ্ট্ৰেলিয়াই বাংলাদেশক ১০ উইকেটত পৰাস্ত কৰে। অষ্ট্ৰেলিয়াই ১৯৯ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি এলিছা হিলি আৰু ফোবি লিটছফিল্ডৰ সুন্দৰ বেটিঙৰ সহায়ত মাত্ৰ ২৪ অভাৰ ৫টা বলতে নিৰ্ধাৰিত লক্ষ্যত উপনীত হ'বলৈ সমৰ্থ হয়। হিলিয়ে ৭৭টা বলত ১১৩

ৰান আৰু লিটছফিল্ডে ৮৪ ৰান কৰি আউট নোহোৱাকৈ থাকে। ইয়াৰ পূৰ্বে, বাংলাদেশে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ৫০ অভাৰত ৯ উইকেটৰ বিনিময়ত ১৯৮ ৰান সংগ্ৰহ কৰে। দলৰ হৈ সুভনা মস্তেৰিয়ে সৰ্বাধিক ৬৬ ৰান কৰে। কালিৰ খেলখনকে ধৰি ৫ খন খেলৰ পৰা অষ্ট্ৰেলিয়াই ৯ পইণ্ট সংগ্ৰহ কৰি পইণ্ট তালিকাৰ শীৰ্ষ স্থানত আছে।

প্ৰতিযোগিতাত আজি কলম্বোত হ'বলগীয়া এখন খেলত দক্ষিণ আফ্ৰিকা শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি ৩ বজাত আৰম্ভ হ'ব।

ooooo

ভাৰতৰ তাৰকা বেডমিণ্টন খেলুৱৈ লক্ষ্য সেনে অডেন্সত অনুষ্ঠিত ডেনমাৰ্ক অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। সেনে কালি প্ৰি কোৱাৰ্টাৰ ফাইনেলত ডেনমাৰ্কৰ এণ্ডাৰ্ছ এণ্টনছেনক ২১-১৩, ২১-১৪ গেমত পৰাস্ত কৰে।

ইপিনে, পুৰুষৰ ডাবলছৰ প্ৰি কোৱাৰ্টাৰ ফাইনেলত সাত্বিক ছাইৰাজ ৰণকীৰেড্ডী আৰু ছিৰাগ ছেট্টীৰ যুটীয়ে চীনা টাইপেইৰ ইয়াং পো হান আৰু লিউ কোৱাং হেঙক ২১-১৯, ২১-১৭ পোনপটীয়া গেমত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

ভাৰতীয় যুটীটো আজি ইণ্ডোনেছিয়াৰ মহম্মদ ৰিয়ান আৰ্দিয়ান্তো আৰু ৰহমত হিদায়তৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি চাৰে ৪ বজাত আৰম্ভ হ'ব।

ooooo

খেলো ইণ্ডিয়া ইউনিভাৰ্চিটি গেমছৰ পঞ্চম সংস্কৰণ চলিত বৰ্ষৰ ২৪ নৱেম্বৰৰ পৰা ৫ ডিচেম্বৰলৈকে ৰাজস্থানৰ সাতখন চহৰত অনুষ্ঠিত হ'ব। এই চহৰকেইখন হৈছে জয়পুৰ, আজমেৰ, উদয়পুৰ, যোধপুৰ, বিকানেৰ, কোটা আৰু ভাৰতপুৰ।

যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড° মনসুখ মন্দাভিয়াই যুৱ প্ৰতিভাৰ বিকাশ আৰু ভাৰতৰ ক্ৰীড়া পৰিৱেশ তন্ত্ৰ শক্তিশালী কৰাৰ ক্ষেত্ৰত এই ক্ৰীড়া প্ৰতিযোগিতাৰ ভূমিকাত গুৰুত্ব আৰোপ কৰি কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ দৃষ্টিভংগীৰ জৰিয়তে খেলো ইণ্ডিয়া পদক্ষেপে অংশগ্ৰহণ, প্ৰতিভা বিকাশ আৰু উৎকৰ্ষতাৰ প্ৰসাৰ ঘটাই এক শক্তিশালী ক্ৰীড়া পৰিৱেশ তন্ত্ৰৰ সৃষ্টি কৰিছে।

১২ দিনীয়া এই প্ৰতিযোগিতাখনত ৫ হাজাৰৰো অধিক খেলুৱৈয়ে পদক জয়ৰ বাবে ২৩ বিধ খেলত আৰু খো-খো খেলৰ প্ৰদৰ্শনীত অংশগ্ৰহণ কৰিব। এই বছৰ প্ৰতিযোগিতাখনত নতুনকৈ অন্তৰ্ভুক্ত খেলৰ ভিতৰত আছে বিচ ভলীবল, কেনইং আৰু কায়াকিং আৰু চাইক্লিং। প্ৰতিযোগিতাৰ অন্তিম সংস্কৰণত চণ্ডীগড় বিশ্ববিদ্যালয়ে শ্ৰেষ্ঠত্ব অৰ্জন কৰিছিল।

ooooo

**সমাপ্ত**